**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। চৌদি আৰবৰ মক্কাৰ পৰা মদিনালৈ যোৱা এখন যাত্ৰীবাহী বাছ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত কেইবাগৰাকীও ভাৰতীয় হজ যাত্ৰীয়ে প্ৰাণ হেৰুওৱা বুলি আশংকা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

২। হাৰিয়ানাৰ ফৰিদাবাদত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ মাণ্ডলিক পৰিষদৰ এখন বৈঠক অনুষ্ঠিত হৈছে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে সংবাদ প্ৰতিষ্ঠানসমূহক গঠনমূলক ভূমিকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ দায়িত্ব পালন কৰি ৰাষ্ট্ৰ গঠনৰ অংশীদাৰ হ'বলৈ আহ্বান জনাইছে।

৪। বিহাৰত নতুন চৰকাৰ গঠনৰ বাবে বিভিন্ন পক্ষৰ মাজত আলাপ-আলোচনা অব্যাহত আছে। বিজেপি আৰু আৰ জে ডি উভয় দলেই আজি নিজ নিজ বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰাৰ সম্ভাৱনা আছে।

আৰু

৫। ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত কালি অনুষ্ঠিত ভাৰত এ আৰু দক্ষিণ আফ্ৰিকা এ গ্ৰুপৰ মাজৰ খেলখনত ভাৰতে ৯ উইকেটত জয়লাভ কৰে।

ooooooooo

চৌদি আৰবৰ মক্কাৰ পৰা মদিনালৈ যোৱা এখন যাত্ৰীবাহী বাছ আজি নিচেই পুৱা দুৰ্ঘটনাগ্ৰস্ত হোৱাত কেইবাগৰাকীও ভাৰতীয় হজ যাত্ৰীয়ে প্ৰাণ হেৰুওৱা বুলি আশংকা কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতীয় সময় অনুসৰি মাজনিশা প্ৰায় ডেৰ বজাত মুফৰিহাট নামৰ ঠাইত বাছখনে এখন ডিজেল কঢ়িওৱা টেংকাৰত খুন্দা মাৰে বাছখনত কেইবাগৰাকীও মহিলা তথা শিশু থকাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখযোগ্য যে বাছখন মক্কাৰ পৰা মদিনালৈ উভতি আহি আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘটনা সন্দৰ্ভত শোক প্ৰকাশ কৰে। তেওঁ নিহতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ভাৰতীয় নাগৰিককে ধৰি দুৰ্ঘটনাটোত আহত লোকসকলৰ আশু-আৰোগ্য কামনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰেও ঘটনা সন্দৰ্ভত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ডঃ জয়শংকৰে কয়, যে ৰিয়াধৰ দূতাবাস তথা জেড্ডাহৰ বাণিজ্যিক দূতাবাসে দুৰ্ঘটনাগ্ৰস্ত লোকসকলৰ পৰিয়াল তথা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি সম্ভাব্য সকলো সহায় আগবঢ়াইছে। দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰো আশু-আৰোগ্য কামনা কৰে। জেড্ডাহত থকা ভাৰতৰ বাণিজ্যিক ৰাষ্ট্ৰদূতৰ কাৰ্যালয়ৰ তৰফৰ পৰা ইতিমধ্যে কেইটামান হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। এই দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত ২৪ ঘণ্টাই মুকলি থকা এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা বুলি দূতাবাসে প্ৰকাশ কৰিছে। হেল্পলাইন নম্বৰকেইটা হৈছে – 800-244-0003/0122-6140-93/012-66-142-76 আৰু 055-6122-301।

ooooooooo

হাৰিয়ানাৰ ফৰিদাবাদত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ মাণ্ডলিক পৰিষদৰ এখন বৈঠক অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে হাৰিয়ানা, হিমাচল প্ৰদেশ, পাঞ্জাব, ৰাজস্থান, দিল্লী, জম্মু আৰু কাশ্মীৰ, লাডাখ আৰু চণ্ডীগড়ক লৈ উত্তৰ মাণ্ডলিক পৰিষদ গঠিত।

ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱত মন, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়ব সিং সৈনী, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হা, দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা, জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই এই বৈঠকত অংশগ্ৰহণ কৰিছে। বৈঠকত

দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা বিস্ফোৰণৰ ঘটনাত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। এই বৈঠকত ৰাজ্য চৰকাৰসমূহ, পানীৰ ভাগ বাটোৱাৰা সম্পৰ্কীয় সমস্যা আৰু উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত আলোচনা কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'টীম ভাৰত' দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি মাণ্ডলিক পৰিষদসমূহে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। শক্তিশালী ৰাজ্যসমূহে সমন্বয়েৰে শক্তিশালী দেশ গঢ়ি তুলিব পাৰে – এই আদৰ্শ আগত ৰাখি মাণ্ডলিক পৰিষদসমূহে কেন্দ্ৰ অথবা দুখন বা ততোধিক ৰাজ্যক প্ৰভাৱিত কৰিব পৰা বিষয় সন্দৰ্ভত আলোচনাৰ বাবে এটা সংগঠিত প্ৰণালী সৃষ্টি কৰিছে। মাণ্ডলিক পৰিষদসমূহৰ ভূমিকা উপদেষ্টামূলক যদিও বিগত কেইবছৰমানত এই পৰিষদসমূহে বিভিন্ন ক্ষেত্ৰত উমৈহতীয়া বুজাবুজি আৰু সহযোগিতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান যোগাই আহিছে। বিগত ১১ বছৰত বিভিন্ন মাণ্ডলিক পৰিষদ আৰু এইসমূহৰ স্থায়ী সমিতিৰ ৬৩ খন বৈঠক আয়োজিত হৈছে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে সংবাদ প্ৰতিষ্ঠানসমূহক গঠনমূলক ভূমিকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ দায়িত্ব পালন কৰি ৰাষ্ট্ৰ গঠনৰ অংশীদাৰ হ'বলৈ আহ্বান জনাইছে। সাম্প্ৰতিক ডিজিটেল যুগত ভুৱা বাতৰি আৰু ভুল তথ্যৰ প্ৰসাৰ প্ৰতিহত কৰাটো অতিশয় জৰুৰী হৈ পৰা বুলি তেওঁ মত প্ৰকাশ কৰে। হায়দৰাবাদৰ ৰামোজী ফিল্ম চিটীত চলিত বৰ্ষৰ ৰামোজী উৎকৃষ্টতা বঁটা প্ৰদান উপলক্ষে আয়োজিত অনুষ্ঠান উদ্বোধন কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মূল্যবোধ সম্বলিত সাংবাদিকতাৰ ক্ষেত্ৰত সংবাদ-উদ্যোগী প্ৰয়াত ৰামোজী ৰাওৱে গ্ৰহণ কৰা ভূমিকাক ভূয়সী প্ৰশংসা কৰে। তেওঁৰ স্মৰণত উৎকৃষ্টতা বঁটা প্ৰৱৰ্তন কৰা কাৰ্যৰ বাবে তেওঁ ৰামোজী গোটক শলাগ লয়।

অনুষ্ঠানত অংশগ্ৰহণ কৰি তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডীয়ে ৰামোজী ফিল্ম চিটীক হায়দৰাবাদৰ চতুৰ্থটো আশ্চৰ্য বুলি অভিহিত কৰি ইয়াৰ উৎকৰ্ষতা সাধনৰ বাবে ৰাজ্য চৰকাৰে সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰে। একেদৰে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু তেলেংগানাৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ এন ভি ৰামান্নাইও আজিৰ বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰামোজী ৰাওক ভৱিষ্যত প্ৰজন্মৰ অনুপ্ৰেৰণা বুলি অভিহিত কৰি সাংবাদিকতাৰ ক্ষেত্ৰখনৰ প্ৰতি তেওঁ আগবঢ়োৱা সেৱাৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। আজিৰ এই অনুষ্ঠানত পল্লৱী ঘোষ, ছাতুপতি প্ৰসন্ন শ্ৰী, আকাশ টেণ্ডন, জয়দীপ হাৰডিকাৰ, মাধৱীলতা, শ্ৰীকান্ত বোল্লা আৰু আমলা ৰুইয়াক সাংবাদিকতা, কলা-সংস্কৃতি, গ্ৰাম্য উন্নয়ন আৰু বিজ্ঞান আৰু প্ৰযুক্তিকে ধৰি সমাজৰ ভিন ভিন ক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখনীয় বৰঙণিৰ বাবে চলিত বৰ্ষৰ ৰামোজী উৎকৃষ্টতা বঁটাৰে সন্মানিত কৰা হয়। আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী কিষাণ ৰেড্ডী, কে ৰামমোহন নাইডু আৰু বাণ্ডি সঞ্জয়কে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

বিহাৰত নতুন চৰকাৰ গঠনৰ বাবে বিভিন্ন পক্ষৰ মাজত ব্যস্ততাপূৰ্ণ আলাপ-আলোচনা অব্যাহত আছে। এন ডি এৰ সহযোগী দলসমূহে চৰকাৰ গঠনৰ প্ৰয়াসেৰে পাটনা আৰু নতুন দিল্লী উভয়তে সম্প্ৰতি অবিৰতভাৱে বৈঠকত অংশগ্ৰহণ কৰিছে। এনে বৈঠকত এখন নতুন মন্ত্ৰীসভা গঠন আৰু প্ৰস্তাৱিত মন্ত্ৰীসভাখনত অংশীদাৰ দলসমূহৰ প্ৰতিনিধিত্বকে ধৰি ভিন ভিন বিষয়ক লৈ আলোচনা কৰা হৈছে।

উল্লেখযোগ্য যে জনতা দল ইউনাইটেডৰ নেতা নিৰ্বাচনৰ বাবে পাটনাত আজি দলটোৰ এখন বৈঠকৰ আয়োজন কৰা হৈছে। শেহতীয়া নিৰ্বাচনত জয়লাভ কৰা দলটোৰ ৮৫ গৰাকী বিধায়কৰ মাজৰ পৰা নীতিশ কুমাৰকে জে ডি ইউৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচন কৰাৰ সম্ভাৱনা প্ৰকাশ পাইছে। একেদৰে বিজেপিয়েও আজি তেওঁলোকৰ বিধায়িনী দলৰ নেতাগৰাকী নিৰ্বাচন কৰাৰ সম্ভাৱনা আছে। তদুপৰি এন ডি এৰ সকলো সহযোগী দলৰ বিধায়কসকলৰ এখন বৈঠক আজিয়েই অনুষ্ঠিত হ'ব পাৰে বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কেন্দ্ৰীয় মন্ত্ৰী তথা লোক জনশক্তি পাৰ্টী ৰামবিলাসৰ সভাপতি চিৰাগ পাচোৱান, হিন্দুস্তানী আৱাম মৰ্চাৰ সভাপতি সন্তোষ সুমন তথা এন ডি এৰ কেইবাগৰাকীও নেতাই জনতা দল ইউনাইটেডৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰক কালি পাটনাত সাক্ষাৎ কৰে। এই বৈঠকত চৰকাৰ গঠন সন্দৰ্ভত অনানুষ্ঠানিক আলোচনা কৰা হয়। জে ডি ইউৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙেও জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক ইতিপূৰ্বে নতুন দিল্লীত সাক্ষাৎ কৰে।

০০০০০০০০০

ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত কালি অনুষ্ঠিত ভাৰত এ আৰু দক্ষিণ আফ্ৰিকা এ গ্ৰুপৰ মাজৰ খেলখনত ভাৰতে ৯ উইকেটত জয়লাভ কৰে। উভয় পক্ষৰ মাজত অনুষ্ঠিত দ্বিতীয়খন অনানুষ্ঠানিক এদিনীয়া খেলখনৰ ১৩৩ টা বল বাকী থকা অৱস্থাতে ভাৰতৰ দলটোৱে বিজয় সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে টছত জিকি দক্ষিণ আফ্ৰিকাৰ এ দলে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভাৰতৰ দ্ৰুতবেগী বলাৰ হৰ্ষিত ৰানা আৰু বাওঁহতীয়া স্পিনাৰ নিশান্ত সিন্ধুৰ অনবদ্য প্ৰদৰ্শনেৰে আলহী দলটোৱে ২০ অ'ভাৰ আৰু তিনিটা বলত ১৩২ ৰানতে ইনিংছ সামৰিবলগীয়া হয়। প্ৰত্যুত্তৰত ৰুতুৰাজ গাইকোৱাড়ৰ অপৰাজিত অৰ্ধ শতকৰ সহায়ত ভাৰত ২৭ অ'ভাৰ আৰু ৫ টা বলত এটা উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়।

০০০০০০০০০

জম্মু আৰু কাশ্মীৰত শেহতীয়াকৈ সন্ত্ৰাসবাদী কাৰ্যকলাপ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে বুলি সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বীবেদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি চাণক্য প্ৰতিৰক্ষা বৈঠকৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি জেনেৰেল দ্বিবেদীয়ে কয়, যে চলিত বছৰটোত বৰ্তমানলৈ প্ৰতিৰক্ষা বাহিনীৰ হাতত প্ৰায় ৩১ জন সন্ত্ৰাসবাদী নিহত হৈছে আৰু ইয়াৰে ৬১ শতাংশই আছিল পাকিস্তানী সন্ত্ৰাসবাদী সম্প্ৰতি ৰাজ্যখনত শিলগুটি দলিওৱা আৰু বিক্ষোভ প্ৰদৰ্শন তথা শ্ল'গান দিয়াৰ দৰে ঘটনা সংঘটিত নোহোৱাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে সন্ত্ৰাসবাদীৰ যিকোনোধৰণৰ ভাবুকি প্ৰতিহত কৰিব পৰাকৈ ভাৰতবৰ্ষ প্ৰস্তুত হৈ আছে। সন্ত্ৰাসবাদক উদগনি যোগোৱা আৰু পৃষ্ঠপোষকতা কৰা পক্ষসমূহক উপযুক্ত প্ৰত্যুত্তৰ দিয়া হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

অপাৰেচন সিন্দূৰক ৮৮ ঘণ্টা সময়ৰ ভিতৰতে সমাপ্ত হোৱা এখন ট্ৰেইলৰ বুলি অভিহিত কৰি সেনাপ্ৰধানগৰাকীয়ে কয়, যে ভৱিষ্যতে উদ্ভৱ হ'ব পৰা যিকোনোধৰণৰ পৰিস্থিতিৰ বাবে ভাৰতবৰ্ষ প্ৰস্তুত হৈ আছে। পাকিস্তানে কোনোধৰণৰ অসাধু কাৰ্যকলাপ সংঘটিত কৰিলে ভাৰতৰ সৈতে কেনেদৰে দায়িত্বশীল আচৰণ কৰিব লাগে সেইকথা দেশৰ সশস্ত্ৰ বাহিনীসমূহে চুবুৰীয়া দেশখনক ভালদৰে শিকাই দিব বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০০০

**সমাপ্ত**